BU/EX/PG/SEM-4/4.02

**2017**

**ASSAMESE**

**Paper : 4.02 (Group-A)**

# INTRODUCTION TO BHAKTI LITERATURE

Full Marks: 80

Time: 3 hours

- The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ  ১ x ১০ = ১০

(ক) উদ্দেশ্য অনুযায়ী ভক্তিক কি কি ভাগত ভগাব পাৰি ?

(খ) 'আলোৱাৰ' শব্দৰ অৰ্থ কি?

(গ) শংকৰদেৱৰ কোনখন গ্ৰন্থৰ আধাৰ গ্ৰন্থ 'গৰুড়পুৰাণ' ?

(ঘ) 'ভক্তি ৰত্নাৱলী'ত কেইটা বিৰচন আছে?

(ঙ) 'শ্ৰীমদ্ভাগৱত'ৰ দ্বাদশ স্কন্ধত 'অভীষ্টদায়ক' বুলি কাক সম্বোধন কৰা হৈছে?

(চ) ৰুদ্ৰসিংহ বিৰচিত শিৱপুৰাণত 'পুৰাণপুৰুষ' বুলি কাক সম্বোধন কৰা হৈছে?

(ছ) 'পঞ্চাৰ্থবিদ্যা' শৈৱদৰ্শনৰ কোনটো ধাৰাৰ অন্তৰ্গত?

(জ) ড° হৰিনাথ শৰ্মা দলৈৰ মতে 'কালিকাপুৰাণৰ ৰচনা কাল কিমান?

(ঝ) 'শ্ৰীশ্ৰী চণ্ডী' গ্ৰন্থখনৰ কৰ্তা কোন?

(ঞ) 'জল্প' নামৰ ৰজাজনৰ বিষয়ে বৰ্ণনা থকা পুৰাণখনৰ নাম কি?

২. চমুকৈ উত্তৰ লিখা ঃ ২ x ৫ = ১০

(ক) 'ভক্তি'ৰ বুৎপত্তিগত অৰ্থ কি?

(খ) 'ভক্তি প্ৰদীপ'ৰ অভিধাটিৰ অৰ্থ ব্যাখ্যা কৰা ।

(গ) ধৰ্মৰ চাৰিচৰণ বুলিলে কি বুজা?

(ঘ) কাশ্মীৰ অঞ্চলৰ শৈৱধৰ্মক কি_তিনিটা অভিধাৰে বুজা যায়?

(ঙ) পুৰাণৰ পাঁচটা লক্ষণ কি কি ?

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ x ২ = ১০

(ক) অদ্বৈতবাদ

(খ) নৱধাভক্তি

(গ) শৈৱবাদ

(ঘ) সপ্তমাতৃকা

৪. শংকৰদেৱে শ্ৰৱণ কীৰ্তন ধৰ্মত অত্যাধিক গুৰুত্ব দিয়াৰ তাৎপৰ্য কি? ভক্তি ধৰ্ম আৰু নৱবৈষ্ণৱ ধৰ্মৰ মাজত থকা অমিলবোৰ ফঁহিয়াই দেখওবা ।

৩ + ৪= ৭

অথবা

'ভক্তি প্ৰদীপ'ত কৃষ্ণভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদিত হৈছে?' মন্তব্যটিৰ সপক্ষে বা বিপক্ষে তোমাৰ মতামত দাঙি ধৰা।



৫. শ্ৰী শ্ৰী চণ্ডীত প্ৰতিফলিত নৱমাতৃকাৰ স্বৰূপ ব্যাখ্যা কৰা। ৭

অথবা

যোগিনীতন্ত্ৰত বৰ্ণিত অসমৰ শিৱস্থান সম্পৰ্কে এক চমু আলোচনা আগবঢ়োৱা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. 'স্থিতিশীল সমাজৰ বৈপ্লৱিক পৰিবৰ্তন সাধন আছিল ভক্তিধৰ্মৰ অন্যতম লক্ষ্য' মন্তব্যটিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰাঁ। ১২

৭. 'ভক্তিপ্ৰদীপ' গ্ৰন্থখনৰ প্ৰতিপাদ্য বিষয়, এই প্ৰতিপাদ্য বিষয়ৰ কথক (বক্তা) আৰু শ্ৰোতাৰ পৰিচয় দি শংকৰদেৱৰ ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থৰাজিৰ মাজত 'ভক্তিপ্ৰদীপ'ৰ স্থান নিৰ্ণয় কৰা । ৩+৯=১২

৮. "মাধবদেৱৰ ভক্তিতত্ত্ব বিষয়ক গ্ৰন্থৰাজিৰ ভিতৰত ভক্তিৰত্নাৱলীয়েই শ্ৰেষ্ঠতম" মন্তব্যটি যুক্তিসহ খণ্ডন বা মণ্ডন কৰা । ১২

৯. শ্ৰীমদ্ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধত শুক আৰু পৰীক্ষিতৰ কথোপকথনৰ মাজেৰে কলিৰ ধৰ্মৰ বিষয়টো কেনেদৰে প্ৰকাশিত হৈছে আলোচনা কৰা ।

১২

১০. ৰুদ্ৰসিংহ বিৰচিত শিৱপুৰাণত শিৱমহিমা কেনেদৰে প্ৰকাশ পাইছে তাৰ এক বিস্তৃত আলোচনা যুগুত কৰা। ১২

—— x ——